# 4th NSA Level Meeting on Trilateral Maritime Security Cooperation

November 26, 2020

# ত্ৰিপাক্ষিক সামুদ্ৰিক সুৰক্ষা সহযোগিতাৰ ওপৰত চতুৰ্থ এন এছ এ পৰ্যায়ৰ বৈঠক

নৱেম্বৰ 26, 2020

শ্ৰীলংকাৰ গণতান্ত্ৰিক সমাজবাদী গণৰাজ্যৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ সচিব মহামান্য মেজৰ জেনেৰেল (অৱসৰপ্ৰাপ্ত) কমল গুণাৰত্নেৰ নিমন্ত্ৰণক্ৰমে ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা শ্ৰী অজিত ডুভালে 27-28 নৱেম্বৰ, 2020 তাৰিখে শ্ৰীলংকাৰ দ্বাৰা আয়োজিত ত্ৰিপাক্ষিক সামুদ্ৰিক সুৰক্ষা সহযোগিতাৰ ওপৰত চতুৰ্থ এন এছ এ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিবৰ বাবে কলম্বো ভ্ৰমণত যাব।

2. ইয়াৰ আগতে 2011 বৰ্ষত মালদ্বীপত, 2013 বৰ্ষত শ্ৰীলংকাত আৰু 2014 বৰ্ষত ভাৰতত বৈঠক আয়োজিত হৈছিল। এন এছ এ পৰ্যায়ৰ ত্ৰিপাক্ষিক বৈঠকে বাৰত মহাসাগৰৰ দেশসমূহৰ মাজত সহযোগিতাৰ কাৰণে এক কাৰ্যকৰী মঞ্চ হিচাপে কাম কৰি আহিছে। মৰিচাছ আৰু ছিছিলিছে তৃতীয় বৈঠকখনত অতিথি দেশ হিচাপে ভাগ লৈছিল।

3. শ্ৰীলংকাৰ প্ৰতিৰক্ষা সচিব আৰু ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা শ্ৰী অজিত ডুভালৰ উপৰিও মালদ্বীপৰ প্ৰতিনিধি হিচাপে প্ৰতিৰক্ষা মন্ত্ৰী মহামান্য মাৰিয়া ডিডিয়েও বৈঠকত অংশগ্ৰহণ কৰিব।

4. বৈঠকখনে ভাৰত মহাসাগৰ অঞ্চলৰ সমুদ্ৰ সুৰক্ষাত সহযোগিতা সম্পৰ্কিত বিষয়সমূহৰ ওপৰত আলোচনা কৰাৰ সুযোগ প্ৰদান কৰিব

5. ত্ৰিপাক্ষিক বৈঠকৰ সময়ত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাই অন্য উচ্চ পৰ্যায়ৰ দ্বিপাক্ষিক আলোচনাত ভাগ লব বুলি আশা কৰা হৈছে।

**নতুন দিল্লী**
**নৱেম্বৰ 26, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.